بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡم نَحۡمَدُہٗ وَنُصَلِّی عَلٰی رَسُوۡلِہِ الۡکَرِیۡم وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡد

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আই৪) য়ে ২০১৭ চনৰ ৭ এপ্রিলত লণ্ডনৰ বায়তুল ফুতুহ মছজিদত প্রদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

আলজজায়েৰৰ আহমদী সকলক অত্যাচাৰ কৰাৰ লক্ষ্যস্থিৰ কৰা হৈ আছে। উক্ত নিপীড়িত আৰু নিষ্পাপ সকলক আমি আমাৰ দোৱাৰ মাজত মনত ৰখা উচিত, আল্লাহ তায়লা সিহঁতক দৃঢ় প্ৰতিষ্ঠিত ৰাখক। আল্লাহ নিজৰ প্ৰতিশ্ৰুতি অনুযায়ী উম্মতে মহম্মদীয়াৰ সংশোধনৰ বাবে যিজনক পঠাবলগীয়া আছিল আৰু আঁহজৰত (ছাঃ) য়ে নিজৰ যি সত্য প্ৰাণ দাসৰ আৱিৰ্ভাৰ সম্পৰ্কে ভৱিষ্যত বাণী কৰিছিল তেখেতক বিচাৰি লওঁক।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; হজৰত মছিহ মাওউদ (আঃ) ৰ বিৰুধীতা সেই সময়ৰ পৰা হৈ আহিছে যেতিয়া এই জমাত ভালদৰে প্ৰতিষ্ঠিতই হোৱা নাছিল আৰু তেখেত (আঃ) য়ে কোনো বয়াত লোৱা নাছিল। মুছলমান সকলে আৰু অমুছলামন সকলেও তেখেত (আঃ) ৰ বিৰুধীতাত তীব্ৰ ভাৱে নামি পৰিছিল। এতিয়ালৈকেও সেয়া চলাই আছে। বৰ্তমান মুছলমান সকলেই এই বিষয়ত লিপ্ত হৈ পৰিছে। কিন্তু আল্লাহ তায়লা তেখেত (আঃ) ৰ জমাত বহল ভাৱে বিস্তাৰিত কৰি গৈ আছে। এতিয়া আল্লাহ তায়লাৰ কৃপাত এই জমাত পৃথিৱীৰ ২০৯ খন দেশত প্ৰতিষ্ঠিত হৈছে। বিশেষকৈ মুছলমান দেশবোৰত, য'তেই লোকসকলে জমাতৰ ফালে বিশেষ মনযোগ আগবঢ়াইছে তাতেই নিয়মিত ভাৱে ষড়যন্ত্ৰৰ যোগেদি জমাতৰ বিৰুধীতা আৰম্ভ কৰা হৈছে। কিছুমান ৰাজনীতিবিদ উলামা আৰু তেওঁলোকৰ আয়ত্বাধীনত থকা চৰকাৰী বিভাগ বৰং আদালতৰ বিচাৰ পাতি সকলেও এই বিৰুধীতাৰ অংশীদাৰ হৈ পৰিছে।

আলজজায়েৰৰ আহমদী সকলক অত্যাচাৰ কৰাৰ লক্ষ্যস্থিৰ কৰা হৈ আছে। বিচাৰপাতি আৰু শাসণ বিভাগৰ কৰ্মকৰ্তা সকলে কয় যে; যদি তোমালোকে কোৱা যে হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী (আঃ) য়ে মছিহ মাওউদ হোৱাৰ দাবী মিছা, তেখেতে মছিহ মাওউদ নহয় বৰং (নাউজুবিল্লাহ) ইছলাম বিৰুধী শক্তিৰ এজন এজেণ্ট আৰু ইছলাম বিৰুধী শক্তিৰ আশ্ৰয়ত আৰু পশ্চিমীয়া দেশবোৰৰ সহায় লাভ কৰি তেখেতে তেওঁলোকৰ ফালৰ পৰা এইবোৰ থিয় কৰিছে। বিশেষকৈ ইংৰাজ সকলৰ বাবে আমি তোমালোকক ৰেহাই দি আছে নহলে জেল, জৰিমনাৰ বাবে সাজু থকিব লগা হলহেতেন। আকৌ অন্যায় বাবে ৰায় প্ৰদান কৰি আহমদী সকলক কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈ আছে। ডাঙৰ অংকৰ জৰিমনা কৰা হৈ আছে। উক্ত নিপীড়িত আৰু নিষ্পাপ সকলক আমি আমাৰ দোৱাৰ মাজত মনত ৰখা উচিত, আল্লাহ তায়লা সিহঁতক দৃঢ় প্ৰতিষ্ঠিত ৰাখক আৰু এনেবোৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰক।

এনেদৰে পাকিস্থানৰ আহমদী সকলৰ বাবেও দোৱা কৰিব লাগিব। ইয়াৰে পাঞ্জাৱতো নিয়মিত ষড়যন্ত্ৰৰ মাজেদি অত্যাচাৰ চলাই যোৱা হৈছে। মুছলমান দেশবোৰত যি কাজিয়া বিবাদ চলি আছে আৰু মুছলমান দেশবোৰৰ পাৰস্পৰিক সম্পৰ্কৰ যি অৱস্থা সেয়া বিবেকবান সকলৰ বাবে বৰ চিন্তনীয় বিষয়। এনেকুৱা অৱস্থাত আল্লাহ তায়লা উম্মতে মহম্মদীয়াৰ সংশোধনৰ বাবে নিজৰ প্ৰতিশ্ৰুতি অনুসৰি যি জনক প্ৰেৰণ কৰিবলৈ আছিল আৰু আঁহজৰত (ছাঃ) য়ে নিজৰ যি সত্য প্ৰাণ দাসৰ আভিৰ্ৰাব সম্পৰ্কে ভৱিষ্যতবাণী কৰিছিল তেখেতক বিচাৰি লওঁক। যিহেতু আল্লাহ তায়লা আৰু আঁহজৰত (ছাঃ) য়ে উল্লেখ কৰা নিদৰ্শন সমুহ পূৰ্ণ হৈ গৈছে আৰু হৈ আছে, যিবোৰ মছিহ মাওউদ (আঃ) ৰ আবিৰ্ভাৱৰ সৈতে সম্পৰ্কিত। এয়াই হ'ল একমাত্ৰ বাট যাৰ দ্বাৰা মুছলমান সকলৰ দৃঢ়তা পুনৰবাৰ প্ৰতিষ্ঠিত হ'ব পাৰিব। হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; মই খোদা তায়লাৰ প্ৰদত্ত প্ৰতিশ্ৰুতি অনুসৰি মছিহ

মাওউদ হিচাপে প্ৰেৰিত হৈছো। গতিকে ইচ্ছা থাকিলে গ্ৰহন কৰিব পাৰা আৰু নতুবা অগ্ৰাহ্যত্ত কৰিব পাৰা কিন্তু তোমালোকৰ অগ্ৰহ্যতাই একো কৰিব নোৱাৰে। খোদা তায়লায় যি সিদ্ধান্ত গ্ৰহন কৰিছে সেয়া বাস্তবায়িত হৈ এৰিব। যি সকল লোকে মোৰ বিৰুদ্ধাচাৰণ কৰে তেওঁলোকে মোৰ নহয় বৰং খোদা তায়লাৰ বিৰুদ্ধাচসৰণ কৰে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; জমাত আহমদীয়াৰ বিৰুদ্ধে যি বিৰুদ্ধাচাৰণ চলি আছে, সেয়া আগতেও একো ক্ষতি কৰিব পৰা নাই আৰু ইনশাআল্লাহ ভৱিষ্যতেও একো কৰিব নোৱাৰে। আল্লাহ তায়লাক সহায় হজৰত মছিহ মাওউদ (আঃ) ৰ ওপৰত সদায় ৰৈ আছে আৰু সদায় আমি এয়া দেখিবলৈ পাই আহিছো যে শত্ৰু পৰাভূত আৰু বিৰাশ হৈছে আৰু হৈ আছে। ইনশাআল্লাহ ভৱিষ্যতেও হ'ব।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; য'তেই বিৰুধীতা হয় তাতেই তৱলিগৰ বাট মুকলি হয়। উল্লেখ কৰে যে আলজজায়েৰৰ জমাত কোনো পুৰণিকলীয়া জমাত নহয় কিন্তু আল্লাহ তায়লা তেওঁলোকক এই বিৰুধীতাৰ জড়িয়তে যেনেকৈ তেওঁলোকৰ ঈমান দৃঢ় কৰি আছে তেনেকৈ তবলিগৰ বাট মুকলি হ'বলৈ আৰমদব কৰিছে। আলজজায়েৰৰ আহমদী সকলে লিখিছে যে আমি চিন্তিত যে কেনেকৈ দেশত তবলিগ কৰিব পৰা যাব এনেতে আল্লাহ তায়লা বিৰুধীতাৰ জৰিয়তে তবলিগৰ বাট মুকলি কৰি দিছে। লিখিছে যে ইয়াত যদিও কিছুমান লোকে ওলটা প্ৰভাৱিত হৈছে কিন্তু বহুতেই হজৰত মছিহ মাওউদ (আঃ) ৰ দাবীৰ সৈতে পৰিচিত হৈছে আৰু বুজিব পাৰিছে যে যি সকলে জমাতৰ বিৰুধীতা কৰিছে তেওঁলোকে ভূল কৰি আছে। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে হজৰত মছিহ মাওউদ (আঃ) ৰ আগমনৰ এয়াই সময় আছিল আৰু আল্লাহ তায়লাৰ সিদ্ধান্ত অনুসৰি তেখেত (আঃ) ৰ আগমন ঘটিছে যাতে ইছলামৰ ভুবিব ধৰা তৰি তীৰে লগাব পাৰে। মুছলামন সকলে নিজেই পেপাৰ, পত্ৰিকা, ভাষণন আদিত উল্লেখ কৰি থাকে আৰু সাক্ষ্য প্ৰদান কৰে যে মুছলিম উম্মাহ সকলক চম্ভালি লবলৈ কোনোবা জনৰ অহা উচিত কিন্তু লগতে এয়াও কয় যে মিৰ্জা গোলাম আহমদ কাদিয়ানিৰ বাহিৰে কোনোবাই আহক।

যিয়েই নহওক; যিজনে খোদা তায়লাৰ ফালৰ পৰা অহাৰ দাবীকৰি আছে সেয়া এওঁলোকে মানি লোৱা নাই বৰং অস্বীকাৰ কৰি আছে আৰু শত্ৰুতা কৰি আছে। আন হাতে বছৰত লাখ লাখ মানুহ বিৰুধীতা থকা সত্বেও আহমদীয়ত গ্ৰহন কৰি আছে। এই ঘটনাই এই কথাৰ সাক্ষ্য বহন কৰে যে আল্লাহ তায়লাৰ সহায়-সহযোগী জমাত আহমদীয়াৰ লগত আছে। বহু সংখ্যক লোকেই আহমদীয়ত গ্ৰহন কৰাৰ ঘটনা অৰ্থাৎ কেনেকৈ জমাত গ্ৰহন কৰিছে সেয়া লিখি পঠায়, সেয়া পঢ়ি বৰ আচৰিত লাগে যে কেনেদৰে আল্লাহ তায়লা পৱিত্ৰ চৰিত্ৰৰ অধিকাৰী লোক সকলে জমাত গ্ৰহণৰ ব্যাৱস্থা কৰিছে। ইয়াৰে কেইটামান ঘটনা মই উল্লেখ কৰিবলৈ লৈছো।

আলজজায়েৰৰ এজন আহমদীয়ে লিখিছে এনেদৰে “ মই আহমদীয়তৰ সৈতে পৰিচিত হোৱাৰ আগত এদিন ৰাতি সপোণত দেখিবলৈ পাওঁ যে এখন উচ্চ আহল বহল হল এখনত বহুত লোকৰ সৈতে লাইনত থিয় দি আছো তাৰে এমুৰত দুজন ব্যক্তি থিয় হৈ আছে। আমালোকৰ শাৰীৰ পৰা এজন এজনকৈ সেই দুজন ব্যক্তিৰ মাজত সোঁফালে থকা ব্যক্তিজনৰ লগত নম্ৰতাৰে মুছাফা কৰি হল খনৰ দৰ্জাৰ ফালে গৈ আছে। যেনিবা দীঘলীয়া শাৰী হোৱাৰ বাবে সেই দুজন ব্যক্তিৰ পৰা এজনৰ সৈতে মুছাফা কৰাৰ নিৰ্দেশ দিয়া হৈছে মই দুৰৰ পৰা এই দৃশ্য চাই কৈছো যে মানুহে কিয় দুজনৰ মাজত এজনৰ সৈতে মুছাফা কৰিছে ? দুয়োজনৰ লগত মুছাফা নকৰে কিয় ? যেতিয়া মই গৈ কাষ চাপিলো দেখিবলৈ পালো যে তেওঁলোক দুজনৰ মাজত এজনৰ দাড়ি পকিছে আৰু তেখেতৰ সোফালে থকাজন মধ্যম ধৰণৰ ওখ আৰু গন্ধম বৰণৰ ব্যক্তি যাৰ দাড়ি চুলি কলা। যেতিয়া মোৰ মুছাফা কৰাৰ পাল পৰিল মই সেই বগা দাড়ি ওৱালাৰ ফালে হাত আগবঢ়াই দিয়াৰ লগে-লগে মোক সেই কলা দাড়িওৱালা গন্ধম বৰণৰ মানুহ জনৰ ফালে ইংগিতেৰে বুজালে যে তেখেতক ছালাম কৰা তেতিয়া মই বৰ বিনম্ৰ ভাৱে তেখেতৰ লগত মুছাফা কৰিলো। লিখিছে যে সেই মুছাফাৰ লগে লগেই মোৰ হৃদয়ত মানুহ জনৰ প্ৰতি প্ৰেমৰ উদয় হ'ল। তেখেতে মোক চাই মিচিকিয়াই দিলে। তেখেতৰ মিচিকি হাঁহিৰ মাজত এনে যাদু আছিল যে সেয়া আজিও মই পাহৰিব পৰা নাই। লিখিছে যে যেতিয়া আহমদীয়তৰ সৈতে মোৰ পৰিচয় ঘটিল আৰু এম.টি.এৰ মাজত এদিন হজৰত মছিহ মাওউদ (আঃ) ৰ ছবি দেখা পাই মোৰ সেই সপোনৰ কথা মনত পৰিল। সপোনত বগা দাড়ি ওৱালা যিজন ব্যক্তি আছিল

তেখেত হ’ল এইজন (অৰ্থাৎ হুযুৰ আনোৱাৰ (আইঃ)) যিহেতু কলা দাড়িওৱালা আছিল হজৰত মছিহ মাওউদ (আঃ) যি জনক সকলোৱে মুছাফা কৰিছি। ইয়াৰ পিছত ইণ্টাৰণেটত আহমদী সকলৰ সৈতে সম্পৰ্ক হ’ল আৰু বিভিন্ন প্ৰশ্ন উত্তৰৰ পিছত মই বয়াত কৰিলো।

আন এজন মহাশয়ৰ ঘটনা চাই অনুমান হয় যে আল্লাহ তায়লা তেওঁক বেৰি ধৰি হজৰত মছিহ মাওউদ (আঃ) ৰ যেন বয়াত কৰাব বিচাৰিছে। এই লোকজন মিছৰ বাসী নাম আব্দুল হাদি। কয় যে এম.টি.এৰ জৰিয়তে আহমদীয়তৰ সৈতে মোৰ পৰিচয় হৈছে। এম.টি.এৰ প্ৰগ্ৰামবোৰ বৰ ভাল লাগে। কিন্তু জমাত আহমদীয়াৰ প্ৰতিষ্ঠাতা জনৰ নবুয়ত আৰু চাহাবে অহি, ইলহাম হোৱাটো বুজি পোৱা নাই। কয় যে মই বাৰে-বাৰে প্ৰোগ্ৰাম আলহাওৱাৰুল মোবাস্বিৰত ফোন কৰাৰ চেষ্টা কৰিছো কিন্তু সংযোগ কৰিব পৰা নাই। যোগাযোগ হোৱা নাছিল। উদ্দেশ্য আছিল এটা প্ৰশ্ন শুনাৰ এয়া যে বাণী জমাত আহমদীয়া আন আন আম্বিয়া সকলৰ দৰে পৱিত্ৰ হয়নে আৰু অহি ইলহাম প্ৰাপ্ত হয়নে ? যদি এই প্ৰশ্নৰ উত্তৰ তেতিয়া হয়বোধক দিলেহেতেন তেন্তে সেই দিনাই মই চ্যানেল তালিকাৰ পৰা বাদ দি দিলোহেতেন কাৰণ সেই সময়ত মই বিশ্বাস কৰিছিলো যে আঁহজৰত (ছাঃ) ৰ পিছত ওহি বন্ধ আৰু এখেতৰ দাবী মিছা কিন্তু খোদা তায়লাৰ কুদৰত এয়া যে কেতিয়াও প্ৰোগ্ৰামৰ বিষয়ে ফোনত যোগাযোগ কৰিব পৰা নাই যাৰ ফলত মই এম.টি.এ দেখি থাকিছিলো। অৱশেষত খাতমে নবুয়তৰ মুল অৰ্থ মই বুজি পাইছিলো। ইমানেই যে অৱশেষত মোৰ ওচৰত ইমামুজ্জামান মছিহ মাওউদ আৰু ইমাম মাহদী (আঃ) ৰ বয়াত অবিহণে কোনো বাট নাছিল। গতিকে মই বয়াত ফৰম পূৰ কৰি পঠাইছিলো। বয়াতৰ পিছত মই ইচ্ছা কৰিছিলো যে এই খবৰ বেলেগেও শুনক। গতিকে মই মনতে মোৰ এজন বন্ধুক বাছি লৈছিলো যে তেওঁ মোৰ কথা বিশ্বাস কৰিব, সেয়ে মই তেওঁক আহমদীয়তৰ খবৰ দিলো কিন্তু তেওঁ হঠাৎ বিৰুধীতাত ক্ৰোধান্বিত হৈ হজৰত মছিহ মাওউদ (আঃ) ৰ সৈতে বেআদবী কৰি মৰ্য্যদা ক্ষুন্ন কৰিবলৈ ধৰিলে। মই বৰ বেদনা ক্লিষ্ট হৃদয়ৰ সৈতে ঘৰলৈ ওভতিছিলো আৰু দৈনন্দিনৰ দৰে টি.ভি অন কৰিলো। তেতিয়া এম.টি.এত ছুৰা আল-ইমৰাণৰ এই আয়াত তেলাওয়াত হৈ আছিল-

فَإِنْ كَذَّبُوكَ فَقَدْ كُذِّبَ رُسُلٌ مِّنْ قَبْلِكَ جَآءُوْ بِالْبَيِّنٰتِ وَالزُّبُرِ وَالْكِتٰبِ الْمُنِيْرِ

অৰ্থাৎঃ- যে গতিকে যদি তেওঁলোকে তোমাক মিছলীয়া সাব্যস্থ কৰে তেন্তে তোমাৰ আগৰ ৰছুলকও মিছলীয়া সজোৱা হৈছিল। তেওঁলোকে নিদৰ্শন আৰু ইলাহি কিতাপ, ইলাহি চহিফা লৈ আনিছিল। কয় যে এই আয়াত মোক হৃদয়ৰ বাবে দৰূদ স্বৰূপ, শান্তি স্বৰূপ হৈ গৈছিল আৰু মোৰ বিশ্বাস ওপজিছিল যে এয়া আকস্মিক নহয় বৰং খোদা তায়লাৰ ফালৰ পৰা মোৰ বাবে এটা খবৰ স্বৰূপ যে ৰছুল সকলক মিছলীয়া সাব্যস্ত আৰু অপমান কৰাটো চলিয়ে আহিছে। গতিকে যদি হজৰত মছিহ মাওউদ (আঃ) ৰ সৈতে এনেকুৱা হৈছে তেন্তে সেয়া কোনো নতুন কথা নহয়।

এনেদৰে আফ্ৰিকাৰ এজনী মহিলা বোকে চহৰৰ নিলগতে থকা এখন গাৱৰ বাসিন্দা তাই কয় যে; এদিন জমাত আহমদীয়াৰ এজন মোৱাল্লিম মোৰ ওচৰলৈ আহে আৰু জমাতৰ তবলিগ কৰে লগতে জলছাত যোগদান কৰিবলৈ আমন্ত্ৰন জনায়। তাই কয় যে খবৰটো ভালেই আছিল, মইও জলছাত যোগদান কৰিবলৈ সাজু হৈছিলো কিন্তু ইছলামী সংগঠন আৰু উগ্ৰপন্থী সকলৰ কাৰ্য্য কলাপৰ বাবে মই ভাৱিলো যে যদি এই জমাতও এনেকুৱা হয় সেয়ে মই জলছাত যোৱা এৰিলো। কিন্তু মনতে সদায় দোৱা কৰিব ধৰিলো যে, হে খোদা যদি এওঁলোক সত্য হয় তেন্তে আকৌ যেন আমাৰ গাৱলৈ তবলিগৰ বাবে আহে। খোদা তায়লাৰ কৃপাত কিছুদিন পিছত জমাতৰ তবলিগি টিম এটা মহিলা জনীৰ গাৱত গৈ উপস্থিত হয়। মহিলাজনীয়ে আমালোকক দেখা পাই আনন্দৰ চকুলো টুকে আৰু কয় যে আল্লাহ তায়লা মোৰ দোৱা শুনিছে। এনেদৰে পৰিয়ালৰ সৈতে বয়াত কৰি জমাত গ্ৰহন কৰে।

গাম্বিয়াৰ আমিৰ চাহাবে লিখিছে যে ছন্তা চাহিবা নামৰ এজনী মহিলা বৰ জমাত বিৰুধী আছিল। খেতি বাতিত তাইৰ যোৱা বছৰ বৰকৈ ক্ষতি সাধন হয়। তাইৰ এজনী আহমদী ভনীয়েকে তাইক সকিয়াই দিয়ে যে তুমি যেতিয়াৰ পৰা জমাতৰ বিৰুদ্ধাচাৰণ কৰি আছা, তোমাৰ কেৱল লোকচান হৈ আছে। গতিকে তুমি জমাতৰ বিৰুধীতা কৰা বাদ দিয়া আৰু জমাতত অন্তৰ্ভূক্ত হৈ যোৱা তেতিয়া আল্লাহ তায়লা দয়া কৰিব। মহিলা জনীয়ে ৮ জন পৰিয়ালৰ সৈতে জমাতৰ অন্তৰ্ভূক্ত হয়। তাৰ পিছত তাই লক্ষ্য কৰে যে সঁচাকৈয়ে আল্লাহ তায়লা তাইৰ সকলোতেই কৃপা বৰ্ষণ কৰি

আছে। যোৱা বছৰ হেৰাই যোৱা তাইৰ ল'ৰাৰ লগত সম্পৰ্ক হয়, ল'ৰাজন ইটালিত আছে। এতিয়া মহিলা জনীয়ে সকলো মানুহকেই কয় যে জমাত আহমদীয়াৰ লগত চামিল হৈ যোৱা ইয়াতেই মুক্তি আছে।

বেনিনৰ মোবাল্লিগ চাহাবে লিখিছে এই বছৰৰ ধুমুহা বতাহত মিচন হাউচৰ দেৱাল ভাঙি পৰে, ৰাতি বৰষুণ চলি আছিল, আনটো দেৱালও ভাঙি পৰাৰ ভয় হৈছিল। মই চিন্তান্বিত হৈ দোৱা কৰিছিলো যে হে আল্লাহ তুমি বয়াতৰ জড়িয়তে এই ক্ষতি পূৰণ কৰি দিয়া আৰু জমাতৰ উন্নতিত বৰকত দান কৰা। এনেতে ফোনৰ ৰিংটন বাজিবলৈ আৰম্ভ কৰিলে, ৰাতি বাৰটা বাজিছে বাহিৰত বৰষুণ আৰু বিজুলি ঢেৰেকনি। মই ফোন ৰিছীভ কৰিলো, মহম্মদ নামৰ এজন ব্যক্তিয়ে ফোনত কবলৈ ধৰিলে যে গাওঁবাসী সকলে বয়াত কৰিব বিচাৰে। গাওঁখন মিচন হাউচৰ পৰা ১১০ কি.মি. দুৰ। কেইদিনমান পিছত ১৯৮ জন লোক সেই গাওঁখনৰ পৰা বয়াত গ্ৰহন কৰে। এনেদৰে আন এজনী মহিলাৰ জড়িয়তে বেনিনৰ আন এখন গাঁৱৰ ২২৭ জনলোকে আহমদীয়ত গ্ৰহন কৰে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে জমাতৰ বিৰুদ্ধবাদী উলামা সকলে হজৰত মছিহ মাওউদ (আঃ) ৰ এই খিনিৰ ওপৰত চিন্তা কৰি চোৱা উচিত। তেখেত (আঃ) য়ে কৈছে যে মনত ৰাখিবা যদি মোক (মছিহ ৰূপে) গ্ৰহন নকৰা তেন্তে তোমালোকে আহিবলগীয়া মাওউদক কেতিয়াও নেপাবা। আৰু উল্লেখ কৰে যে মোৰ উপদেশ হ'ল তাকওয়াৰ পৰা হাত সাৰটি নলবা, খোদা তায়লাক ভয়কৰি এই কথা বিলাক গমি চোৱা অকলশৰীয়াকৈ ভাৱি চোৱা আৰু শেষত খোদা তায়লাৰ ওচৰত দোৱা কৰা, সি দোৱা শুনিবলৈ পায়, নেক নিয়তৰ দোৱা তেওঁ শুনি লয় আৰু পথৰ দিহা দুয়ে। আল্লাহ তাযলা যেন এই লোক সকলক তাৰ সহায় লাব কৰোতা বনায়। আল্লাহ তায়লা যেন সিহঁতৰ হৃদয় উন্মোচন কৰে।

খোতবাৰ শেষত হুযুৰ (আইঃ) য়ে নমাজে জানাজা গায়েব পঢ়াৰ ঘোষনা কৰে। মকৰৰম হাজি লোছ ফৰিণ হিনছন চাহাব এজন ডেনিচ আহমদী আছিল। ০৫-০৪-২০১৭ ইং তাৰিখত এখেতৰ মৃত্যু হয়। হুযুৰ (আইঃ) য়ে মৰহুমৰ চৰিত্ৰ আনুগত্য আৰু জমাতৰ খিদমত সম্পৰ্কে বৰ্ণনা কৰি মৰহুমৰ মৰ্য্যদা উন্নত হোৱাৰ বাবে আল্লাহ তায়লাৰ ওচৰত দোৱা কৰে। মৰহুমৰ পৰিয়াল বৰ্গই যেন আহমদীয়তৰ সৈতে জড়িত হৈ থাকিব পাৰে। (আমিন)

**********

**Assamess Khulasa Khutba Jumma Huzoor Anwar 7 April 2017**

**BOOK POST (PRINTED MATTER)**

**To**

________________________________

________________________________

________________________________

**From: Ahmadiyya Circle Office, Abhayapuri M.G.Road W/N- IV Bongaigaon Assam 783384. # 9864337890**